AMAZING FACTS India

# ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য

জীৱন পৰিবৰ্ত্তন কৰা এটা বাইবেল অধ্যয়ণ!

## চয়তানৰ বন্দীশাল

২য় বংশাৱলি ৩৬:১১-২১

## কাহিনী...



**আমাৰ** পৃথিবীখনক প্ৰকৃতিৰ সম্পূৰ্ণ ভাৰসাম্যতাৰে সৃষ্টি কৰা হৈছিল। মানুহ, জন্তু আৰু উদ্ভিদ সকলোৱেই সম্পূৰ্ণ পৰস্পৰ ঐক্যতাৰে বাস কৰিছিল। কিন্তু পাপ প্ৰৱেশৰ লগে লগে, সকলোবোৰ সলনি হৈছিল। মানুহে জন্তুবোৰৰ মাংশ খাবলৈ আৰম্ভ কৰিছিল, আৰু জন্তুবোৰে ইটোৱে সিটোক খাবলৈ ধৰিছিল। সকলোবোৰতে কাইট আৰু কাইটীয়া গছবোৰ ফুটি ওলাই আহিছিল। পাপৰ দন্ডই এনেকি মাটিকো নিস্তেজ কৰি পেলাইছিল। ঈশ্বৰে কয়ইনক কৈছিল, "তুমি যেতিয়া ভুমিত খেতি কৰিবা, তেতিয়া ভুমিয়ে আপোন বহু শস্য তোমাক আৰু নিদিব"...। আদিপুস্তক ৪:১২।

এইটো কাৰনতে ঈশ্বৰ যিহোৱাই ইস্ৰায়েলৰ সন্তানসকলক প্ৰতি সাত বছৰৰ মূৰে মূৰে খেতিপথাৰবোৰ বিশ্ৰাম দিবলৈ আদেশ দিছিল (যাত্ৰাপুস্তক ২৩:১০, ১১)। এনে কাৰ্য্যই ভুমিক ইয়াৰ উৰ্ব্বৰতা পুনৰ পুৰন কৰিবলৈ সুযোগ দিছিল আৰু দুখীয়া নিচলা সকলৰ নিমিত্তে খাবলৈ আপোনা আপুনি শস্য উতপাদন কৰিবলৈ সময় দিছিল। কিন্তু ঈশ্বৰৰ বহুলোকে এই বিধান অৱজ্ঞা কৰিছিল নাইবা নামানো বুলিয়েই ইয়াক পালন কৰিবলৈ অমান্তি হৈছিল। ইয়াৰ পিছত সোধ-বিচাৰৰ এটা ভয়ঙ্কৰ দিন উপস্থিত হৈছিল। বাবিলৰ ৰজা, নবোখদনেচৰ যিহুদিয়ালৈ আহিছিল আৰু তেওঁৰ বিৰুদ্ধে থিয় হোৱা আটাইবিলাককে প্ৰাণদন্ড দিছিল। আন কিছুমানক বাবিলৰ সোনাময় নগৰলৈ বন্দী কৰি নিয়া হৈছিল। একেটা সময়তে, ইস্ৰায়েলৰ ভুমি সম্পূৰ্ণৰূপে বিধ্বস্ত হৈছিল, "যেতিয়ালৈ ভুমিয়ে তাইৰ বিশ্ৰামবোৰ উপভোগ কৰা নাছিল"। যেতিয়ালৈকে তাই এইদৰে জনশূন্য হৈ পৰি আছিল আৰু তাই বিশ্ৰাম পালন কৰি আছিল। ২য় বংশাৱলি ৩৬:২১। ৭০ বছৰৰ অন্তত, জীৱিত হৈ থকাবিলাকে কনানলৈ উভতি আহিছিল আৰু প্ৰতিজ্ঞাৰ দেশখনক গঢ়িছিল আৰু যিৰূচালেম পুনৰাই নিৰ্ম্মান কৰিছিল।

৬০০০ বছৰ ধৰি এতিয়ালৈ যীচুৱে শুভবাৰ্ত্তাৰ বীজ সিচি আহিছে। বাইবেলে আমালোকক কৈছে যে, "ঈশ্বৰৰ দেখাত এটা দিন এহাজাৰ বছৰৰ নিচিনা"। ২য় পিতৰ ৩:৮। অতি সোনকালে যীচু ৰজা পৃথিবীৰ শস্য দাবলৈ আহিব। তেওঁৰ আগমনৰ উজ্বলতাত কিছুমানৰ মৰন হব আৰু বাকীবোৰক তেওঁৰ সোনাময় ৰাজ্যলৈ উঠাই নিয়া হব। তাৰ পাছত ভাগৰি পৰা এই বৃদ্ধ গ্ৰহটোৱে ১০০০ বছৰ ধৰি বিশ্ৰাম পালন কৰিব, এখন জনশূন্য বন্দীশালত, এখন অগাধ স্থানত পৰিণত হব, যত চয়তানে ১০০০ বছৰীয়া কাল অন্ত নপৰালৈকে শিকলিৰে বন্ধা হৈ বন্দী হৈ থাকিব –ইয়াৰ ঠিক কিছু সময়ৰ পিছতে এখন নতুন জগতৰ আৰম্ভণ ঘটিব।



পাঠ নং-১৪

# অধ্যয়ন

*প্ৰতিটো বাইবেল পদ পঢ়ি তলত দিয়া খালী ঠাইবোৰ পুৰন কৰা*

## ১. কি ঘটনাবোৰৰ চিনে ১০০০ বছৰ আৰম্ভনৰ সূচনা কৰিব?

**১ম থিচলনীকীয়া ৪:১৬** *কাৰন জয়ধ্বনি, প্ৰধান স্বৰ্গদূতৰ মাত, আৰু ঈশ্বৰৰ তূৰী-বাদ্যে সৈতে ______________________ নিজে ______________________ আহিব; আৰু খ্ৰীষ্টৰ আশ্ৰয়ত মৰা লোকবিলাকেই প্ৰথমে ______________________ ।*

**প্ৰকাশিতবাক্য ২০:৪, ৫** *তেওঁবিলাকে জীলে, আৰু ______________________ বছৰ খ্ৰীষ্টে সৈতে ৰাজত্ব কৰিলে। সেই হাজাৰ বছৰ পুৰ নহয়মানে, মৃতবিলাকৰ অৱশিষ্ট লোক নিজিলে। এয়ে ______________________ পুনৰুত্থান।*

**টোকা:** প্ৰকাশিতবাক্য ২০ অধ্যায়ৰ এহেজাৰ বছৰক প্ৰায়ে সহস্ৰবছৰ (মিলেননিয়াম) বুলি কোৱা হয়। "মিলেননিয়াম" শব্দটো দুটা শব্দেৰে গঠিত এটা যুক্ত লেটিন শব্দ। "মিললি" ৰ অৰ্থ হল এক হাজাৰ আৰু "এননাম"ৰ অৰ্থ হল বছৰ।যীচু খ্ৰীষ্টৰ দ্বিতীয় আগমন আৰু ধাৰ্ম্মিকসকলৰ পুনৰুত্থানেই হৈছে ১০০০ বছৰ আৰম্ভ হোৱাৰ চিন। সৰ্ব্বযুগৰ সাধু সন্ত সকল (যি সকলক ধন্য আৰু পবিত্ৰ বুলি ৬ পদটোত ব্যাখ্যা কৰা হৈছে) এই প্ৰথম পুনৰুত্থানত পুনৰুত্থিত হব।

## ২. প্ৰথম পুনৰুত্থানত আৰু কি কি ঘটনা ঘটিব?

**১ম কৰিন্থীয়া ১৫:৫১, ৫২** *আমি সকলোৱেই নিদ্ৰিত নহম কিন্তু শেষৰ তূৰী-ধ্বনিত, এক তিলেকত, চকুৰ পচাৰতে ______________________ হম। কিয়নো তূৰী বাজিব; তাতে মৃতবিলাক অক্ষয়ণীয় হৈ উত্থিত হব আৰু আমি ৰূপান্তৰিত হম।*

**ফিলিপীয়া ৩:২১** *তেওঁ যি কাৰ্য্য-সাধক গুণেৰে সকলোকে নিজৰ বশীভূত কৰিব পাৰে, তাৰ দৰেই তেওঁ আমাৰ এই নীহ অৱস্হাৰ শৰীৰক ৰূপান্তৰ কৰি, তেওঁৰ ______________________ শৰীৰৰ সমৰূপ কৰিব।*

**২য় থিচলনীকীয়া ২:৮** *সেই অধৰ্ম্মী (বিধানহীন) জন প্ৰকাশিত হব; কিন্তু তাক প্ৰভু যীচুৱে তেওঁৰ মুখৰ ফুঁৰ দ্বাৰাই ______________________ কৰিব, আৰু তেওঁৰ আগমনৰ আবিৰ্ভাৱৰ দ্বাৰাই লুপ্ত কৰিব।*

**প্ৰকাশিতবাক্য ১৬:১৮, ২০, ২১** *বিজুলী, মাত, আৰু মেঘ-গৰ্জ্জন হল আৰু পৃথিবীত মনুষ্য হোৱাৰে পৰা যেনে ভয়ানক আৰু মহা-ভুমিকম্প কেতিয়াও হোৱা নাই, তেনে ______________________ হল। ... আৰু আটাই দ্বীপ পলাল, পৰ্ব্বতবোৰো আৰু পোৱা নগল। আৰু মানুহৰ ওপৰত, আকাশৰ পৰা এমোন এমোন গধূৰ হোৱা এনে মহা-শিলাবৃষ্টি হল।*

**প্ৰকাশিতবাক্য ২০:১, ২** *এজন স্বৰ্গদূত ... তেওঁ সেই নাগ, অৰ্থাত পুৰাতন সৰ্প যি দিয়াবল আৰু চয়তান, তাক ধৰি, এহেজাৰ বছৰলৈ ______________________, সেই অগাধ ঠাইত পেলাই দিলে।*

**টোকা:** ১০০০ বছৰ আৰম্ভ হোৱাৰ লগে লগে কি কি ঘটনাবোৰ ঘটিব তাৰ সাৰাংশ জানিবলৈ ৬ পৃষ্ঠাত দিয়া ১০০০ বছৰৰ তালিকাখন চাওঁক।

## ৩. দ্বিতীয় পুনৰুত্থানত কোন উত্থিত হব, আৰু ই কেতিয়া ঘটিব?

**যোহন ৫:২৮, ২৯** *কিয়নো যি কালত মৈদামত থকা সকলোৱে তেওঁৰ মাত শুনি, সতকৰ্ম্ম কৰাবিলাক জীৱনৰ পুনৰুত্থানলৈ, আৰু ____________________ কৰাবিলাক দোষী সাব্যস্ত হোৱা সোধবিচাৰৰ পুনৰুত্থানলৈ ওলাব, সেই কাল ____________________ । কেজিভি।*

**প্ৰকাশিতবাক্য ২০:৫** *সেই হাজাৰ বছৰ ____________________ নহয়মানে, মৃতবিলাকৰ (অধাৰ্ম্মিক) অৱশিষ্ট লোক নিজিলে।*

**টোকা:** ১০০০ বছৰৰ অন্তত দ্বিতীয় সাধাৰন পুনৰুত্থানত অধাৰ্ম্মিকবিলাক পুনৰুত্থিত হব।

## ৪. ১০০০ বছৰীয়া কালচোৱাত পৃথিবীৰ অৱস্থা কেনেকুৱা হব বাৰু?

**যিচয়া ২৪:১** *চোৱা, যিহোৱাই পৃথিবী ____________________ কৰিছে, আৰু তাক শূন্য কৰিছে.*

**যিৰিমিয়া ৪:২৩-২৬** *মই পৃথিবীলৈ চালোঁ চোৱা, সেয়ে ধ্বংশ হল, আৰু ____________________ আৰু আকাশ-মন্ডললৈ চালো, তাৰ দ্বীপ্তি নাই। মই পৱ্বতবোৰলৈ দৃষ্টি কৰিলোঁ, চোৱা, সেইবোৰ কঁপিছে, আৰু আটাই গিৰিবোৰ লৰিছে। মই চাই দেখিলোঁ, কোনো মানুহ নাই, আৰু আকাশৰ পক্ষীবোৰো পলাই গল। ... যিহোৱাৰ সাক্ষাতে আৰু তেওঁৰ জলন্ত ক্ৰোধৰ প্ৰভাৱত ফলৱতী বাৰী মৰুভূমি হৈ পৰিল, আৰু তাৰ আটাই ____________________ ভগ্ন হল।*

**যিৰিমিয়া ২৫:৩৩** *সেই দিনা পৃথিবীৰ ইমূৰৰ পৰা সিমূৰলৈ যিহোৱাৰ হত হোৱা লোক হব; কোনেও সিহঁতৰ নিমিত্তে বিলাপ নকৰিব, আৰু সিহঁতক গোটোৱা কি ____________________ নহব।*

**টোকা:** যীচুৰ দ্বিতীয় আগমনৰ সময়ত আঘাত কৰা মহা-ভুমিকম্প আৰু মহা-শিলাবৃষ্টিৰ দ্বাৰাই পৃথিবীখন সম্পূৰ্ণৰূপে ধ্বংশ হব। ই সম্পূৰ্ণৰূপে অন্ধকাৰত ডুব যাব। হত হোৱা লোকবিলাক পৃথিবীৰ ওপৰি ভাগত সিচৰিত হৈ পৰি থাকিব, তেওঁবিলাকৰ নিমিত্তে বিলাপ কৰোঁতা কোনো নাথাকিব, কাৰন সেই সময়ত এজনো জীৱিত লোক নাথাকিব। সকলোবিলাক ধাৰ্ম্মিক লোক স্বৰ্গত থাকিব, আৰু সকলোবিলাক পাপী অধাৰ্ম্মিক মৰাশ হৈ পৰি থাকিব (সংযোজনত দিয়া “অগাধ ঠাই” চাওক)।

## ৫. ১০০০ বছৰৰ কাল-চোৱাত সাধু সন্ত সকল কত থাকিব আৰু তেওঁবিলাকে কি কৰি থাকিব?

**যোহন ১৪:৩** ____________________ ____________________ *থাকোঁ, তোমালোকো সেই ঠাইত যেন থাকিবলৈ পাবা, এই নিমিত্তে মই আকৌ আহি তোমালোকক মোৰ ওচৰলৈ লৈ যাম।*

**প্ৰকাশিতবাক্য ২০:৪** *পাছে মই কেইখনমান সিংহাসন দেখিলো; সোইবোৰৰ ওপৰত যিবিলাক বহিল, তেওঁলোকক ____________________ ভাৰ দিয়া হল ... তেওঁ বিলাকে জীলে, আৰু এহেজাৰ বছৰ খ্ৰীষ্টে সৈতে ৰাজত্ব কৰিলে।*

# পাঠ নং-১৪

**১ম কৰিন্থীয়া ৬:২, ৩** *নতুবা, ______________________ লোকে (সাধু সন্ত)যে জগতৰেই সোধবিচাৰ কৰিব, ইয়াক তোমালোকে নাজানা নে? ... আমি যে স্বৰ্গদূতবিলাকৰো সোধ-বিচাৰ কৰিম, তাক নাজানা নে?*

**টোকা:** ১০০০ বছৰৰ কালচোৱাত সাধু সন্তসকল স্বৰ্গত থাকিব, সোধ-বিচাৰত অংশ লব। কোনে পৰিত্ৰাণ পাব বা কোনে হেৰাই যাব তাৰ নিৰ্নয় অৱশ্যে তেওঁবিলাকে নকৰিব, কাৰন ঈশ্বৰে ইতিমধ্যেই তাক নিৰ্নয় কৰি থলে। তেওঁবিলাকে মাথো ঈশ্বৰৰ সোধ-বিচাৰত সুনিশ্চিত হব। কাৰন তোমাৰ সোধ-বিচাৰ প্ৰকাশিত হল প্ৰকাশিতবাক্য ১৫:৪ কেজিভি। হেৰাই যোৱা বিলাকৰ নিমিত্তে প্ৰদান কৰা ঈশ্বৰৰ শাস্তি ন্যায়গত বুলি সুনিশ্চিত হোৱাৰ লগতে ধাৰ্ম্মিকবিলাকৰ পুৰস্কাৰো যে ন্যায়গত সেয়া সুনিশ্চিত হব (প্ৰকাশিতবাক্য ২২:১১, ১২)। সোধ-বিচাৰৰ এই পৰ্য্যায়টো সাধু-সন্তবিলাকৰ উপকাৰৰ নিমিত্তেই হব। উদাহৰণ স্বৰূপে, ধৰিলক আপুনি স্বৰ্গলোকত গল আৰু আৱিস্কাৰ কৰিলে যে আপোনাৰ প্ৰিয় পাদ্ৰী গৰাকী তাত নাই- তাৰ ঠাইত আপুনি দেখিলে কিছুমান কুখ্যাত অপৰাধীবোৰহে তাত স্হান পাইছে! সম্ভৱত ইয়াৰ কাৰণ জানিবলৈ আপোনাক ব্যাখ্যাৰ প্ৰয়োজন হব। ঈশ্বৰৰ দূতবিলাকে এইক্ষেত্ৰত ৰেকৰ্ড ৰখা পুস্তকবোৰৰ যোগেদি যি কোনো সন্দেহ আতৰ কৰিবলৈ আমাক মাৰ্গ-দৰ্শণ দিব। সোধ-বিচাৰৰ অন্তিম পৰ্য্যায়ত, ঈশ্বৰৰ ন্যায়, প্ৰেম আৰু সকলোৰে সৈতে কৰা নিস্বাৰ্থপৰ সম ব্যৱহাৰৰ ওপৰত সকলোৱে সম্পূৰ্ণৰূপে পতিয়ণ যাব। তেওঁবিলাকে এইবুলি ঘোষনা কৰিব, “কিয়নো তেওঁৰ সকলো সোধ-বিচাৰ সত্য আৰু ন্যায়”... প্ৰকাশিতবাক্য ১৯:২ (“১০০০ বছৰৰ চিত্ৰ” নামৰ সংযোজনটো চাওঁক)।

## ৬. ১০০০ বছৰৰ অন্তত কি ঘটিব?

**জখৰীয়া ১৪:১, ৪, ৫, ৯** *চোৱা যিহোৱাৰ এনে এক দিন আহিছে ... আৰু সেই দিনা পূবফালে যিৰূচালেমৰ সন্মুখত থকা ______________________ ______________________ ওপৰত তেওঁৰ চৰণ স্হিতি হব আৰু জৈতুন পৰ্ব্বত মাজতে পূব আৰু পশ্চিম ফাললৈ ______________________ মোৰ ঈশ্বৰ যিহোৱা আহিব, তোমাৰে সৈতে সকলো পবিত্ৰ লোক (সাধু সন্ত) আহিব ... আৰু যিহোৱা গোটেই পৃথিবীৰ ওপৰত ৰজা হব।*

**প্ৰকাশিতবাক্য ২১:২** *আৰু দৰাৰ কাৰনে বিভূষিতা কন্যা যেনে, তেনেকৈ যুগুত হোৱা; পবিত্ৰ নগৰ নতুন যিৰূচালেমক, ঈশ্বৰৰ ওচৰৰ পৰা অৰ্থাত ______________________ পৰা ______________________ দেখিলো।*

**টোকা:** ১০০০ বছৰৰ অন্তত, নতুন যিৰূচালেম ইয়াৰ ভিতৰত থকা আটাইবিলাক সাধু সন্তৰে সৈতে স্বৰ্গৰ পৰা নামি আহিব আৰু বৰ্ত্তমান সময়ৰ জৈতুন পৰ্ব্বতৰ ওপৰত অৱতৰন কৰিব। নগৰখন অৱতৰন কৰিবৰ নিমিত্তে এখন বিস্তিৰ্ণ সমভূমি কৰিবলৈ ঈশ্বৰে পৰ্ব্বতখনৰ শিখৰটোক চেপেটা কৰিব।

## ৭. চয়তান তাৰ বন্দিত্বৰ পৰা মুকলি হোৱাৰ পাছত কি ঘটিব?

**প্ৰকাশিতবাক্য ২০:৫, ৭** *সেই হাজাৰ বছৰ পূৰ নহয়মানে, ______________________ অৱশিষ্ট লোক নিজীলে ... পাছে সেই হাজাৰ পূৰ হলে, চয়তানে নিজ বন্দীশালৰ পৰা ______________________ হৈ।*

**টোকা:** অধাৰ্ম্মিকবিলাক পুনৰুথান হোৱাৰ পাছত, সিহঁতক ভুলাবলৈ আৰু নিজৰ ইচ্ছানুযায়ী সিহঁতক চলাবলৈ চয়তান আকৌ এবাৰ মুকলি হব।

## ৮. অধাৰ্ম্মিক সকল যেতিয়া পুনৰুত্থিত হব তেতিয়া চয়তানে কি কৰিব?

**প্ৰকাশিতবাক্য ২০:৮, ৯** *পৃথিবীৰ চাৰি চুকত থকা জাতিবিলাকক, অৰ্থাত সাগৰৰ বালিৰ সমান সংখ্যা হোৱা যি গোগ আৰু মাগোগ, সিহঁতক ________________, ৰণলৈ গোট খুৱাবলৈ ওলাই আহিব; সিহঁতে পৃথিবীৰ বিস্তাৰেদি গৈ, পবিত্ৰবিলাকৰ ছাউনি আৰু প্ৰিয় নগৰ ________________ ধৰিলে।*

**টোকা:** চয়তানে লোকসমুহক এইবুলি বিশ্বাস কৰিবলৈ ভুলাব যে তাক অন্যায় কৰি স্বৰ্গৰ পৰা বাহিৰ কৰা হৈছিল আৰু সিহঁতে একেলগ হৈ নগৰখন অধিকাৰ কৰিব পাৰিব আৰু তাক নিজৰ হাতৰ মুঠিত আনিব সক্ষম হব। সিহঁতে পবিত্ৰ নগৰখনৰ বাহিৰত থকা কথাটোক উপলব্ধি কৰি, অধাৰ্ম্মিকবিলাকে একত্ৰিত হব আৰু নতুন যিৰূচালেমক অধিকাৰ কৰিবলৈ আক্ৰমন কৰিব।

## ৯. এই সঙ্কটাপূৰ্ণ মূহুৰ্ত্তত, সকলোকে কিহে বাৰু স্তব্ধ কৰিব?

**প্ৰকাশিতবাক্য ২০:১১, ১২** *পাছে এখন ডাঙৰ ____________________ ____________________, আৰু তাৰ ওপৰত বহি থকা জনাক দেখিলোঁ ... আৰু সেই পুস্তকবোৰত লিখামতে, মৃতবিলাকৰ নিজ নিজ কৰ্ম্ম-অনুসাৰে ____________________ কৰা হল।*

**টোকা:** নগৰখনৰ ওপৰত স্বৰ্গত অকস্মাতে ঈশ্বৰৰ সিংহাসনখন দেখা দিব, আৰু সোধ-বিচাৰৰ অন্তিম পৰ্য্যায় আৰম্ভ হল। ঈশ্বৰৰ নগৰখনৰ ওপৰত কৰা আক্ৰমন এইদৰে হঠাতে স্হগিত হল। পুস্তকবোৰ মেলা হব, আৰু প্ৰতিজন ব্যক্তিৰ জীৱনবোৰ তেওঁৰ আগেদি পাৰ হৈ যাব লাগিব। চাবলৈ, অধাৰ্ম্মিক আৰু ধাৰ্ম্মিক বিলাকৰ নিমিত্তে সকলোবোৰ মুকলি হৈ পৰিব (লূক ১২:২, ৩ চাওক)

## ১০. অধাৰ্ম্মিকবিলাকক সোধবিচাৰ কৰাৰ পাছত কি ঘটিব?

**ৰোমীয়া ১৪:১১** *প্ৰভুৱে কৈছে, মোৰ জীৱনৰ শপত, ____________________ মোৰ আগত ____________________ লব, আৰু প্ৰত্যেক জীবাই ঈশ্বৰৰ গৌৰৱ স্বীকাৰ কৰিব।*

**ফিলিপীয়া ২:১০, ১১** *এই হেতুকে স্বৰ্গত, পৃথিবীত, আৰু পৃথিবীৰ তলত নিবাস কৰা সকলোৱে যেন যীচুৰ নামত আঁঠু লয়, আৰু ____________________ খ্ৰীষ্ট যে প্ৰভু, ইয়াক যেন পিতৃ ঈশ্বৰৰ গৌৰৱৰ অৰ্থে সকলো জীবাই ____________________ কৰে, এই কাৰনে ঈশ্বৰে তেওঁক অতি ওখ পদ দিলে, আৰু সকলো নামতকৈ সেই শ্ৰেষ্ঠ নাম, তেওঁক দান কৰিলে।*

**প্ৰকাশিতবাক্য ১৯:১, ২** *ইয়াৰ পাছত, স্বৰ্গত থকা বৃহত এডল মানুহৰ মহাধ্বনি যেন শুনিলো... তেওঁৰ সকলো ____________________ সত্য আৰু ____________________ ।*

**টোকা:** অধাৰ্ম্মিক সকলে সকলোৱে মুক্তকণ্ঠে সৈমান লব যে ঈশ্বৰ সদায় মঙ্গলময় আৰু ন্যায়পৰায়ণ হৈ আহিছে আৰু তেওঁবিলাকক পৰিত্ৰাণ দিবলৈ আপ্ৰান চেষ্টা কৰিছিল, কিন্তু তেওঁবিলাকে নিজেইহে মুকলিকৈ তেওঁক প্ৰত্যাখ্যান কৰিবলৈ আৰু নিজৰমতে পাপৰ এক স্বাৰ্থপৰ জীৱন জীবলৈ সিদ্ধান্ত লৈছিল। এই বিশ্বজনীন সৈমান লোৱাৰ পাছত, পাপৰ যি মহা-বিবাদ সি সদাকালৰ নিমিত্তে নিস্পত্তি হব আৰু পাপীবিলাকক সমূলি ধ্বংশ কৰাটো নিৰাপদ ব্যৱস্হা হব।

## ১১. ইয়াৰ পাছত আৰু কি ঘটিব?

**প্ৰকাশিতবাক্য ২০:৯** *তাতে স্বৰ্গৰ পৰা* ____________________ *পৰি, সিহঁতক* ____________________ *কৰিলে।*

**প্ৰকাশিতবাক্য ২০:১৫** *জীৱন পুস্তকত যি কোনোৰ নাম পোৱা নগল, তাক সেই অগ্নিৰ* ____________________ *পেলোৱা হল।*

**টোকা:** ঈশ্বৰৰ অগ্নি তেতিয়া অধাৰ্ম্মিকবিলাকৰ ওপৰত পৰিব আৰু ঈশ্বৰৰ নগৰখনৰ চাৰিওফালে এক বিশাল অগ্নিৰ সৰোবৰ সৃষ্টি কৰিব। এই অগ্নিয়ে অৱশেষত সিহঁত আটাইবিলাকক পুৰি ছাই কৰি ভষ্ম কৰিব (মলাখী ৪:৩)। এই যি জুই যাক নৰক বুলি কোৱা হয়, ইয়াৰ ওপৰত চয়তানৰ অলপো নিয়ন্ত্ৰন নাথাকিব। ইয়াৰ পৰিবৰ্ত্তে, সি আৰু তাৰ আটাই দূতবিলাকেও সেই অগ্নিত যাতনা পাব আৰু পুৰি ভষ্ম হব (প্ৰকাশিতবাক্য ২০:১০; যিহিষ্কেল ২৮:১৮)। এই অগ্নিৰ পৰা আৰু কেতিয়াও পুনৰুত্থান নহব, ইয়াকে কোৱা হয় দ্বিতীয় মৃত্যু (প্ৰকাশিতবাক্য ২০:১৪)।

## ১২. জুই নুমাই যোৱাৰ পাছত ঈশ্বৰে তেওঁৰ নিজৰ লোকবিলাকৰ নিমিত্তে কি কৰিব?

**যিচয়া ৬৫:১৭** *কিয়নো চোৱা, মই* ____________________ *আকাশ-মন্ডল আৰু নতুন পৃথিবী নিৰ্ম্মান কৰো।*

**২য় পিতৰ ৩:১৩** *কিন্তু তেওঁৰ প্ৰতিজ্ঞাৰ দৰে, আমি নতুন আকাশ-মন্ডল আৰু নতুন পৃথিবীলৈ অপেক্ষা কৰি আছোঁ সেইবোৰত* ____________________ *নিবাস কৰে।*

**টোকা:** ৭০ বছৰীয়া বাবিলৰ বন্দীত্ব অন্ত পৰাৰ সময়ত, ইস্ৰায়েলৰ সন্তানবিলাকে প্ৰতিজ্ঞাৰ দেশলৈ পুনৰ উভতি আহিছিল আৰু নগৰখন পুনঃনিৰ্ম্মান কৰিছিল। ১০০০ বছৰৰ পাছত, সাধু সন্তসকল, যীচুৱে এখন নতুন আকাশ-মন্ডল (বায়ুমন্ডল) আৰু এখন সম্পূৰ্ণ সিদ্ধ পৃথিবী নিৰ্ম্মান কৰাৰ সাক্ষী হৈ ৰব, যত পাপে ইয়াৰ কুতচিত মূৰটোক আৰু কেতিয়াও দাঙিব নোৱাৰিব (নাহূম ১:৯)। যি পৰমদেশ খনক আদম আৰু হাৱাই পাপৰ দ্বাৰাই হেৰুৱাই লৈছিল, তাক ইয়াৰ সকলোবোৰ এদেনবাৰীৰ গৌৰৱ, শান্তি, আনন্দ, আৰু পৰম সুখৰ সৈতে পুনৰুদ্ধাৰ কৰা হব আৰু ইয়াতে ঈশ্বৰৰ লোকসকলে অনন্তকালৰ নিমিত্তে বিশ্ৰাম লভিব!

## ১৩. ঈশ্বৰ আৰু ধাৰ্ম্মিকবিলাকে অৱশেষত কত বসতি কৰিব?

**প্ৰকাশিতবাক্য ২১:৩** *সৌৱা চোৱা, মানুহবিলাকৰ সহিত ঈশ্বৰৰ ধৰ্ম্মধাম, আৰু তেওঁবিলাকৰ* ____________________ *তেওঁ* ____________________ *কৰিব. (কেজিভি)।*

**মথি ৫:৫** *নম্ৰবিলাক ধন্য, কিয়নো তেওঁবিলাকে পৃথিবীখন অধিকাৰ কৰিব। (কেজিভি)।*

**টোকা:** পিতৃ ঈশ্বৰ আৰু পুত্ৰ ঈশ্বৰ উভয়েই তেওঁবিলাকৰ ধাৰ্ম্মিক সাধু-সন্ত সকলৰ সৈতে নতুন পৃথিবীত নিবাস কৰিব। আপুনি মাথোন ভাৰি চাওকচোন—ঈশ্বৰ আপোনাৰ নিচেই কাষত থাকিব!

# আপেনাৰ সহাৰি

*যীচুৱে কৈছে, “মই তোমালোকলৈ ঠাই যুগুত কৰোঁগৈ”. যোহন ১৪:২। পবিত্ৰ নগৰত তেওঁ আপোনাৰ নিমিত্তে এটা অট্ৰালিকা ৰাখিছে। অনন্ত জীৱনৰ তেওঁৰ উপহাৰটোক আপুনি এতিয়াই গ্ৰহন কৰিব নে যাতে তেওঁ আপোনাক নতুন জন্ম দিব পাৰে আৰু তেওঁৰ ৰাজ্যৰ বাবে আপোনাক সাজু কৰিব পাৰে*

***উত্তৰ:*** ____________________

# সংযোজন

*এই খন্ডটিয়ে অতিৰিক্ত অধ্যয়নৰ বাবে অধিক তথ্যৰ যোগান ধৰিব।*

### ১০০০ বছৰৰ চিত্ৰ

**সেই ঘটনাবোৰ যি ১০০০ বছৰৰ সূচনা কৰিছে:**

১. যীচুৱে তেওঁৰ ধাৰ্ম্মিকবিলাকৰ নিমিত্তে আকৌ আহিছে, আৰু ধাৰ্ম্মিক মৃতলোকবিলাকৰ পুনৰুত্থান।
২. প্ৰভুৰ আগমনৰ প্ৰতাপৰ দ্বাৰাই অধাৰ্ম্মিকবিলাকৰ মৃত্যু, লগতে মহা-ভুমিকম্প আৰু মহা-শিলাবৃষ্টি।
৩. জীৱিত ধাৰ্ম্মিকবিলাকৰ পৰিবৰ্ত্তন, তাৰ পাছত আকাশত প্ৰভুক লগ ধৰিবলৈ উঠাই নিয়া।
৪. মেঘে তেওঁবিলাকক স্বৰ্গলৈ কঢ়িয়াই নিয়া।

**১০০০ বছৰ**

**১০০০ বছৰৰ কালচোৱাত ইয়াৰ অৱস্হা আৰু সেই সময়ত হোৱা ঘটনাবোৰ:**

১. স্বৰ্গত সাধু-সন্ত সকলে অধাৰ্ম্মিকবিলাকৰ সোধ-বিচাৰত ভাগ লব।
২. সম্পূৰ্ণ ধ্বংশপ্ৰাপ্ত হোৱা আৰু অন্ধকাৰত ডুব গৈ থকা পৃথিবীত চয়তান আৰু তাৰ দূতবিলাক থাকিবলৈ বাধ্য হব।
৩. পৃথিবীত কোনো জীৱিত লোক নাথাকিব।

**১০০০, বছৰ শেষ হোৱাৰ সময়ত ঘটা ঘটনাবোৰ:**

১. যীচু, তেওঁৰ সাধু-সন্ত সকলৰ লগতলৈ আকৌ ঘুৰি আহিব আৰু পবিত্ৰ নগৰখনো জৈতুন পৰ্ব্বতত অৱতৰন কৰিব।
২. অধাৰ্ম্মিকবলাকৰ পুনৰুত্থান, আৰু চয়তানে অধাৰ্ম্মিকবিলাকক পবিত্ৰ নগৰ আক্ৰমন কৰিবলৈ ভুলাব।
৩. অধাৰ্ম্মিকবিলাকৰ সোধবিচাৰ, তাৰ পাছত স্বৰ্গৰ পৰা জুই বৰষুৱাৰ দ্বাৰাই শাস্তি প্ৰদান যি অৱশেষত হেৰাই যোৱা আটাইবিলাককে গ্ৰাস কৰিব।
৪. শুচিকৃত হোৱা পৃথিবীৰ ছাইৰ ওপৰত ঈশ্বৰে নতুন আকাশ-মন্ডল আৰু এখন নতুন পৃথিবী সৃষ্টি কৰিব।

## অগাধ ঠাই

প্ৰকাশিতবাক্য ২০:১ পদত পোৱা “অগাধ ঠাই”/Bottomless pit এই খন্ড বাক্যটোক প্ৰায়েই ভুলকৈ বুজা দেখা য়ায়। এই শব্দটোক গ্ৰীক শব্দ “অবুচচ”/Abusos ৰ পৰা অনুবাদ কৰা হৈছে যিটো ইংৰাজী শব্দ “এবাইছ”/Abyss মূল শব্দ। গ্ৰীক ভাষাৰ পুৰনা নিয়ম বাইবেলত, এই শব্দটোক সৃষ্টিৰ আগতে পৃথিবীখনৰ আকাৰহীন আৰু অন্ধকাৰৰ অৱস্হাটোক বুজাবলৈ ব্যৱহাৰ কৰা হৈছে। “পৃথিবী নিৰ্জন আৰু শূন্য আছিল আৰু আন্ধাৰ অগাধ জলৰ ওপৰত আছিল” আদিপুস্তক ১:২। “এবুচচ”/Abusos শব্দটোক চয়তান ভূত-প্ৰেতবিলাকৰ সেই অৱস্হাটোক ব্যাখ্যা কৰিবলৈ লূক ৮:৩১ পদত আকৌ এবাৰ ব্যৱহাৰ কৰা হৈছে যত অধিকাৰ চলাবলৈ নাইবা নিজৰ ইচ্ছানুযায়ী ব্যৱহাৰ কৰিবলৈ কোনো এজনো নাথাকিব।

১০০০ বছৰৰ কালচোৱাত, চয়তান “পৰিস্হিতিৰ শিকলিৰে” বান্ধ খাই থাকিব, “সি যেন জাকিবিলাকক ভুলাব নোৱাৰে”, প্ৰকাশিতবাক্য ২০:৩। এডাল আক্ষৰিক শিকলিয়ে এটা আত্মাসম্বন্ধীয় শৰীৰক কেতিয়াও বান্ধিব নোৱাৰে। লোকবিলাকক প্ৰলোভন কৰাৰ পৰা তাক মাত্ৰ এটা বস্তুৱেহে নিবাৰন কৰি ৰাখিব পাৰিব, যেতিয়া তাত কোনো জীৱিত লোক নাথাকিব! যেতিয়া যীচু আহিব, অধাৰ্ম্মিকবিলাক আটায়ে হত হব আৰু আটাই ধাৰ্ম্মিকবিলাকক সৰগলৈ তুলি নিয়া হব, গতিকে চয়তান আৰু তাৰ দূতবিলাকৰ নিমিত্তে ঠগিবলৈ এই গ্ৰহটোত কোনো এজনো নাথাকিব। ১০০০ বছৰ ধৰি সিহঁতে ইয়াত অনাই-বনাই ঘুৰি ফুৰিব লাগিব আৰু সিহঁতৰ বিদ্ৰোহৰ ফলবোৰ ভোগ কৰিব লাগিব। পৰিস্হিতিৰ বিৰক্তিকৰ শিকলি কোনো কালে কেতিয়াও কমাৰশালত বনোৱা নহয়। এনেকুৱা এক পদ্ধতিৰেই চয়তান আৰু তাৰ দূতবিলাক বন্দী হব। “আৰু কাৰাগাৰত বন্দীয়াৰহঁতক গোটোৱাৰ দৰে তেওঁবিলাকক গোটোৱা হব, আৰু বন্দীশালত বন্ধ কৰা হব; পাছে অনেক দিনৰ মূৰত তেওঁবিলাকক দন্ড দিয়া হব” যিচয়া ২৪:২২।


©2024 Amazing Facts India
All Rights Reserved Printed in India
+91 916 916 4480 | AFTV.in
ভাৱবাণীৰ এক সম্পূৰ্ণ দৃশ্য
অধিক উত্থানশীল, জীৱন পৰিৱৰ্ত্তনকাৰী সম্পদৰ বাবে পৰিদৰ্শন কৰক Bookstore.AFTV.in ASSAMESE